**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৭২/২০১৯**

## <u>‘ভূপেন হাজৰিকা’ শীৰ্ষক ইংৰাজী প্ৰৱন্ধ সংকলন কলকাতাত উন্মোচন</u>

# ড° ভূপেন হাজৰিকাৰ গানত মানৱতাৰ বাণী আছে ঃ হৃষীকেশ গোস্বামী

**দিছপুৰ, ১ ডিচেম্বৰ ঃ** ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ বৰ্ণাঢ্য জীৱন, বিশাল কৰ্মৰাজি আৰু বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ অৱলোকন কৰি প্ৰথিতযশা শিল্পী, সাহিত্যিক, সাংবাদিকে লিখা তথ্য সমৃদ্ধ ‘ভূপেন হাজৰিকা’ শীৰ্ষক প্ৰৱন্ধৰ ইংৰাজী সংকলনৰ প্ৰথম খণ্ডটি আজি শিল্পী গৰাকীৰ অন্যতম কৰ্মস্থলী হিচাপে পৰিগণিত কলকাতাত উন্মোচন কৰা হয়। উৎপল মেনা আৰু ভৈৰৱানন বৰাই সম্পাদন কৰা তথা ‘চিত্ৰাচল প্ৰকাশনে’ প্ৰকাশ কৰা গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট শিল্পী জৰ্জ বেকাৰ আৰু বিনীতা গোহাঁইয়ে।

কলকাতাৰ অসম ভৱনত গ্ৰন্থ উন্মোচনী উপলক্ষে আয়োজিত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কয় যে ভূপেন হাজৰিকাৰ গীতত বিপ্লৱৰ কণ্ঠ, প্ৰকৃতিৰ বন্দনা, শাসকৰ প্ৰতি সাৱধানবাণী, মানৱ প্ৰেম, যুৱ প্ৰজন্মৰ প্ৰতি আহ্বান আৰু বিশ্বজনীনতা আছে। ভূপেন হাজৰিকাৰ গীতৰ মূল কথাই হৈছে মানৱতাবাদ। মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে এইগৰাকী মহান শিল্পীয়ে মানুহৰ বাবে গান গাইছে। মানুহৰ চকুৰ পানী আৰু তেজৰ বৰণ একেই বুলি উল্লেখ কৰি তেওঁ কয় যে অসমৰ বিভিন্ন জনগোষ্ঠীৰ প্ৰতি সুক্ষ্ম দৃষ্টি আছিল সুধাকণ্ঠৰ। মিডিয়া উপদেষ্টা গৰাকীয়ে লগতে কয় যে সাধাৰণ মানুহৰ মন জয় কৰাটো অতিশয় কঠিন। ভূপেন হাজৰিকাৰ সংগীতে সাধাৰণ মানুহৰ হৃদয়তো স্থান লাভ কৰিছিল বুলি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয়। বিভিন্ন লেখকে ভূপেন হাজৰিকা সম্পৰ্কত ইংৰাজী ভাষাত গ্ৰন্থ প্ৰণয়ন কৰিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে এই গ্ৰন্থ খনৰ জৰিয়তে ভূপেন হাজৰিকাৰ বিভিন্ন দিশ সম্পৰ্কত পাঠকে জনাৰ সুযোগ লাভ কৰিব। মিডিয়া উপদেষ্টা গৰাকীয়ে কয় যে এজন মানুহৰ মাজত বহুমুখী প্ৰতিভা সততে দেখা নাযায়। ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ মাজেৰে শিল্পী গৰাকীৰ বহুমুখী প্ৰতিভাৰ সন্ধান পোৱা যায়। ভাষণ প্ৰসংগত মিডিয়া উপদেষ্টা গৰাকীয়ে ভূপেন হাজৰিকাৰ লগত তেওঁৰ সান্নিধ্য, পল বৰছন, বলৰাজ চাহানী, কলকাতা গ্ৰন্থমেলাৰ লগত থকা সম্পৰ্কৰ কথাও উল্লেখ কৰে।

বিশিষ্ট শিল্পী জৰ্জ বেকাৰে সভাত ভাষণ প্ৰদান কৰি কয় যে তেওঁৰ অসমৰ প্ৰতি এক আৱেগিক সম্পৰ্ক আছে। এই সম্পৰ্ক অসমৰ জনসাধাৰণৰ আন্তৰিকতা, ৰাজ্যখনৰ প্ৰাকৃতিক বিনন্দীয়া পৰিৱেশ, বৰ্ণাঢ্য সাংস্কৃতিক জীৱন শৈলীৰ বাবে সম্ভৱ হৈছে বুলিও তেওঁ কয়। অসমৰ সৈতে এই সম্পৰ্ক ভূপেন হাজৰিকাৰ বাবে সম্ভৱ হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে এইগৰাকী মহান শিল্পী তেওঁৰ জীৱনৰ বাবে উল্লেখযোগ্য ব্যক্তি। এইগৰাকী শিল্পীয়ে ব’ব ডিলনৰ দৰে নবেল পুৰস্কাৰ লাভ কৰিব লাগিছিল বুলিও তেওঁ কয়।

আজিৰ এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অসম আৰু পশ্চিম বংগৰ শিল্পী, সাহিত্যিক, সাংবাদিক আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**পুঃডেঃ / বঃভাঃ**
**১/১২/২০১৯**